

সপ্তম শ্রেণীৰ পাঠ্যপুথি

সমাজ বিজ্ঞান

(দ্বিতীয় ভাগ)

ইতিহাস খণ্ডৰ আগকথা

পাঠ - ১৩

প্রাক্‌ঐতিহাসিক অসম

অংশ – ৬ (প্রশ্ন-উত্তৰ)

পৰিনীতা দেৱী

৫। চমু টোকা লিখা—

(ক) শালস্তম্ভ বংশ

(খ) পালবংশ

(গ) কুণ্ডিল ৰাজ্য

(ঘ) কামৰূপৰ আৰ্থ-সামাজিক অৱস্থা।

(ক) শালস্তম্ভ বংশ

উত্তৰঃ শালস্তম্ভসকলে বর্মণ বংশৰ পাছত কামৰূপৰ সিংহাসন দখল কৰে। শালস্তম্ভ বংশৰ ২১ জন ৰজাই কামৰূপত প্রায় তিনিশ বছৰ কাল ৰাজত্ব কৰিছিল। এই ৰাজবংশৰ প্রতিষ্ঠাতা শালস্তম্ভই কামৰূপ ৰাজ্যৰ ৰাজধানী তেজপুৰলৈ স্থানান্তৰ কৰি ঠাইখনৰ নাম হাৰুপেশ্বৰ ৰাখিছিল। 'ইৎচিং' নামৰ এজন চীনা পৰিব্রাজকে শালস্তম্ভসকলে কামৰূপত

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation



ৰাজত্ব কৰি থকা সময়ত ভাৰতলৈ আহিছিল। তেওঁৰ লিখনিত সেই সময়ত কামৰূপ ৰাজ্যৰ সীমা পশ্চিমে নালন্দা অঞ্চললৈ (বৰ্তমান বিহাৰ) বিস্তৃত আছিল বুলি উল্লেখ পোৱা যায়। কামৰূপ ৰাজ্যই সকলো দিশৰপৰা এক শক্তিশালী ৰাজ্যৰূপে শালস্তম্ভসকলৰ ৰাজত্ব কালত স্বীকৃতি পাইছিল। শালস্তম্ভ বংশৰ ৰজাসকলে বিদ্বান লোকক সমাদৰ কৰিছিল। তেওঁলোক নিজে শৈৱপন্থী আছিল যদিও

समग्र शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

তান্ত্রিক ধর্মৰো তেওঁলোকৰ ৰাজত্ব কালতে বিকাশ লাভ কৰিছিল। ঐতিহাসিক সমলৰ ভিতৰত খ্ৰীষ্টীয় নৱম শতিকাৰ হায়ুনথল তাম্ৰফলিত শালস্তম্ভ বংশৰ ৰজাসকলৰ ভিতৰত শালস্তম্ভ, বিজয়, পালক, কুমাৰ, বজ্রদেৱ, হৰ্ষবৰ্মন, বলবৰ্মন, হৰ্জৰাবৰ্মন আৰু বনমালৰ নাম উল্লেখ আছে।

(খ) পালবংশ

উত্তৰঃ শালস্তম্ভসকলৰ পাছত কামৰূপ ৰাজ্যৰ ৰাজপাটত পাল নামৰ ৰাজবংশই শাসন কৰিছিল। এই ৰাজবংশৰ প্ৰতিষ্ঠাতা আছিল ব্ৰহ্মপাল। পাল বংশৰ ৰাজ্যৰ ৰাজধানী দুৰ্জ্জয়নগৰ (বৰ্তমানৰ উত্তৰ গুৱাহাটী) আছিল । ৰজা ৰত্নপালে প্ৰাগজ্যোতিষপুৰত ৰাজত্ব কৰাৰ সময়ত কামৰূপ ৰাজ্যৰ পশ্চিম সীমাই উত্তৰ বংগক চুইছিল বুলি বিভিন্ন

সমলৰপৰা জানিবলৈ পোৱা যায়। বিভিন্ন সমলত উল্লেখ থকা এই বংশৰ ৰজাসকল হল ৰত্নপাল, ইন্দ্রপাল, গোপাল, হর্ষপাল, ধর্মপাল ইত্যাদি। পালসকল হিন্দুধর্মী আছিল। বর্তমান কামৰূপ (গ্রাম্য) জিলাৰ বাইহাটা চাৰিআলিৰ ওচৰত থকা মদন কামদেৱ মন্দিৰৰ ভগ্নাৱশেষ পালবংশী ৰজাসকলৰ স্থাপত্য কীর্তি। ইয়াত হিন্দু দেৱতা শিৱ, বিষ্ণু, সৰস্বতী, সূর্য, কল্পবৃক্ষ, বিভিন্ন অপ্সৰাৰ মূর্তি পোৱা গৈছে।

समग्रा शिक्षा
Samagra Shiksha
সমগ্ৰ শিক্ষা

Under CSR Support by
ipca | Foundation

(গ) কুণ্ডিল বংশ

উত্তৰঃ প্রাক্‌ঐতিহাসিক যুগত কামৰূপ ৰাজ্যৰ পূব দিশত কুণ্ডিল নামেৰে আন এখন ৰাজ্য আছিল। বর্তমানৰ শদিয়া অঞ্চলক এই ৰাজ্যৰ ৰাজধানী কুণ্ডিল নগৰ হিচাপে চিনাক্ত কৰা হয়। ৰাজ্যখনত ভীষ্মক নামৰ এজন ৰজাই ৰাজত্ব কৰিছিল আৰু তেওঁৰ কন্যা ৰুক্মিণীক শ্রীকৃষ্ণই বিবাহ কৰিছিল। শ্রীকৃষ্ণ আৰু ৰুক্মিণীৰ বিবাহৰ ঘটনাক লৈ মহাপুৰুষৰ

শংকৰদেৱে পাছত ৰুক্মিণী হৰণ নাটক ৰচনা কৰিছিল।



(ঘ) কামৰূপৰ আৰ্থ- সামাজিক অৱস্থা

উত্তৰঃ কামৰূপৰ অৰ্থনীতি মূলতঃ কৃষিভিত্তিক আছিল। হিউৱেন চাঙৰ চি-ইউ-কি ত এই ৰাজ্যত জলসিঞ্চনৰ জৰিয়তে খেতি কৰাৰ কথাও উল্লেখ কৰিছে। ইয়াৰ উপৰি বিভিন্ন ধৰণৰ ফল-মূল, যেনে-কঠাঁল, নাৰিকল, তামোল-পাণৰ খেতি কৰাৰ কথাও জানিব পাৰি। প্ৰাচীন কামৰূপতো এৰী, পাট, মুগা ইত্যাদি কাপোৰ তৈয়াৰ হৈছিল।

মহাভাৰতত ভগদত্ত ৰজাৰ পাট কাপোৰৰ কথা পোৱা যায়। কুমাৰ ভাস্কৰ বৰ্মণেও থানেশ্বৰৰ ৰজা হৰ্ষবৰ্ধনলৈ পাটৰ কাপোৰ পঠিয়াইছিল বুলি সমলসমূহৰপৰা জানিব পাৰি। মাছ ধৰা, নৈৰ পৰা সোণ উলিওৱা, কাপোৰ বোৱা আদিবোৰ প্ৰাচীন কামৰূপৰ লোকসকলৰ কেইটামান উল্লেখযোগ্য বৃত্তি আছিল। আভ্যন্তৰীণ বাণিজ্যৰ উপৰি তিব্বত আৰু ভূটানৰ লগতো বাণিজ্যিক সম্পৰ্ক ৰক্ষা কৰা হৈছিল।

ৰাজবংশীয় লোকসকলে সোণৰ অলংকাৰ ব্যৱহাৰ কৰিছিল। হাতীদাঁতৰ অলংকাৰ কামৰূপত যথেষ্ট জনপ্রিয় আছিল।